

## অসমৰ নেমু ঃ

ৰাসায়নিক সাৰবিলাক নেমু গছৰ গুৰিৰ পৰা প্ৰায় ৫-৪৫ ছেঃমিঃ দূৰত্বত চটিয়াব লাগে। সাৰবিলাক মাটিৰ তলত গাত কৰিও প্ৰয়োগ কৰিব পাৰি।
নেমু গছডাল ঠন ধৰি উঠাৰ পিছত পোলিমাক্স **(Polymax)** প্ৰতি লিটাৰত ২ মিঃ লিঃ কৈ স্প্ৰে কৰিব লাগে। ঘাহঁ-বনবিলাক প্ৰতি মাহৰ অন্তৰে অন্তৰে নিকাব লাগে। পেডি স্ট্ৰ বা কলা পোলিথিন ব্যৱহাৰ কৰিও ঘাহণ-বনবিলাক নিকাব পাৰি।

## অসমৰ নেমুৰ ৰোপন ঃ

০.৫ মিঃ খ ০.৫ মিঃ আহল-বহল গাত কৰি মাজত প্ৰায় ০.৩ মিঃ খ ০.৩ মিঃ ঠাই ৰাখি মৌচুমী অহাৰ আগত অসমৰ নেমু ৰোপন কৰিব লাগে। ৰোপন কৰি সাৰ আৰু মাটি (১:১ পৰিমাণত) গুৰিত দিব লাগে। অসমৰ নেমু মে-আগষ্ট মাহৰ ভিতৰত ৰুব লাগে।

## নেমু কলম- পদ্ধতি আৰু শিকন ঃ

প্ৰথমিক অৱস্থাত নেমুৰ কলম পদ্ধতি তিনিধৰণে কৰিব পাৰি। যেনে- ডালৰ পৰা পত্ৰ-মুকুলৰ পৰা আৰু গছতে ডাল ধৰা। এই পদ্ধতৰি দ্বাৰা নেমু ৰোপন কৰি মাটিৰ পৰা প্ৰায় ৫০-৬০ ছেঃমিঃ ওপৰত থকা প্ৰধান ডালটোৰ বাহিৰে বাকি ডাল বিলাক কাটি দিব লাগে। নেমুগছৰ পূৰঠ ডাল এফলীয়া জোঙাকৈ কাটি ৰুব লাগে।

## জৈৱ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগ ঃ

| বছৰ | এফ. ওৱাই এফ (F.Y.F) | এন (N) | পি২ ও৫ ($P_2O_5$) | কে২ ও ($K_2O$) | মন্তব্য |
|---|---|---|---|---|---|
| সমভূমি অঞ্চল | | | | | |
| ১ম বছৰ | ৫ কেজি | ১৫০ গ্ৰাম | ১০০ গ্ৰাম | ১৪৫ গ্ৰাম | |
| ২য় বছৰ | ১০ কেজি | ৩০০ গ্ৰাম | ২০০ গ্ৰাম | ২৯০ গ্ৰাম | প্ৰতি গছত |
| ৩য় বছৰ | ১৫ কেজি | ৪৫০ গ্ৰাম | ৩০০ গ্ৰাম | ৪৩৫ গ্ৰাম | প্ৰতি বছৰে |
| ৪ৰ্থ বছৰ আৰু ওপৰত | ২০ কেজি | ৬০০ গ্ৰাম | ৪০০ গ্ৰাম | ৫৮০ গ্ৰাম | প্ৰতি বছৰে |
| পাহাৰুৱা অঞ্চল | | | | | |
| ১ম বছৰ | ১০ কেজি | ১০০ গ্ৰাম | ১০০ গ্ৰাম | ১০০ গ্ৰাম | |
| ২য় বছৰ | ১০ কেজি | ১০০ গ্ৰাম | ১০০ গ্ৰাম | ১০০ গ্ৰাম | |
| ৩য় বছৰ | ১০ কেজি | ১০০ গ্ৰাম | ১০০ গ্ৰাম | ১০০ গ্ৰাম | |
| ৪ৰ্থ বছৰ আৰু ওপৰত | ২০ কেজি | ১০০ গ্ৰাম | ১০০ গ্ৰাম | ১০০ গ্ৰাম | |

এই মিশ্ৰণখিনি বছৰত দুবাৰ দিব লাগে, এবাৰ ফেব্ৰুৱাৰী মাৰ্চ মাহত আৰু এবাৰ অক্টোবৰ-নবেম্বৰ মাহত।

## মাটি আৰু জলবায়ু ঃ

নেমু খেতিৰ বাবে মাটি ৩ মিটাৰ গভীৰতালৈকে পলসুৱা বা বালিচহীয়া হোৱা ভাল। নেমু সেমেকা আৰু নাতিশীতোষ্ণ জলবায়ু উপযোগী।

## পুলিৰ প্ৰস্তুতকৰণ ঃ

আমাৰ নেমুৰ খেতিৰ বাবে পুলি প্ৰস্তুত কৰা হয় সিপিঠিত দিয়া ধৰণেৰে—

## ডালৰ পৰা ঃ

পূৰঠ ডাল কাটি নেমু খেতিৰ বাবে পুলি প্ৰস্তুত কৰিব পাৰি। পেঞ্চিলৰ সমান শকত ডাল ১৮-২০ চেণ্টিমিটাৰ জোখত পুলিৰ বাবে কাটি ল'ব লাগে। ওপৰ অংশটো গাঁঠিৰ পৰা ১ চেণ্টিমিটাৰ ওপৰত হ'ব লাগে। তলৰ অংশটো গাঁঠিৰ ঠিক তলতে এফলীয়াকৈ জোঙাকৈ কাটি ল'ব লাগে। এনেদৰে কাটি লোৱা ডালবোৰ বৰ্গাকাৰে ৩০ চেণ্টিমিটাৰ আঁতৰে আঁতৰে হেলনীয়াকৈ মাটিত ৰুব লাগে। নেমুৰ ডাল পচাবৰ বাবে প্ৰস্তুত কৰা মাটিডৰাত সমান অনুপাতত মাটি, গোবৰ আৰু বালি মিহলি কৰি ল'ব লাগে।



## পত্ৰ-মুকুলৰ পৰা ঃ


নেমু টেঙাৰ পুলি পত্ৰ মুকুল কাটি কৰিও প্ৰস্তুত কৰিব পাৰি। কাটিং কৰিবলৈ বিচৰা কোঁহ বা মুকুল ভালদৰে ওলোৱা আৰু সজাল হ'ব লাগে। কাটিঙত এখন পাতৰ সৈতে গা-গছৰ ৩ চেণ্টিমিটাৰ একৰাই আনিব লাগে।

## গছতে ডাল ধৰা ঃ

সাধাৰণতে নিৰোগী ডাল বাছি ল'ব লাগে আৰু তেনে ডালৰ আগৰটোৰ পৰা ১৫ চেণ্টিমিটাৰ বা তাতৈতে তলত ৩ চেণ্টিমিটাৰ জোখৰ চৌদিশৰ ছাল একৰাই পেলাব লাগে। উক্ত অংশটো সমান সমান অনুপাতত মিহলোৱা গোবৰ, বালি আৰু মাটিৰ মিশ্ৰণেৰে প্ৰলেপ দিব লাগে। ইয়াৰ পাছত ডালৰ পৰা মিশ্ৰণখিনি এৰাই যাব নোৱাৰাকৈ পলিথিনেৰে সাৰধানে মেৰিয়াই ঢাকি দিব লাগে। পলিথিনত দুয়োটা মূৰ টানকৈ বান্ধি দিব লাগে।

## ৰোপণ ঃ

নেমু পুলি ৰোৱাৰ বাবে বাৰিষাৰ আগে আগে ০.৫ মি. X ০.৫ মি. X ০.৫ মি.ৰ জোখত গাঁত খান্দি ল'ব লাগে। উক্ত গাঁতবোৰ মাটি আৰু এফ ৱাই এম সমান অনুপাতত মিহলোৱা মিশ্ৰণেৰে পুৰ কৰিব লাগে। অসমত নেমু পুলি ৰোৱাৰ উপযুক্ত সময় হ'ল মে'ৰ পৰা আগষ্ট মাহৰ ভিতৰত। নেমু গছৰ গুৰিত উক্ত মিশ্ৰণ বছৰত দুবাৰ অৰ্থাৎ ফেব্ৰুৱাৰী-মাৰ্চত আৰু অক্টোবৰ-নৱেম্বৰত দিব লাগে।





### খেতিৰ আপডাল ঃ

সাধাৰণতে মাহত এবাৰ খেতিডৰাত গজা অপতৃণ বা ঘাঁহ-বনবোৰ উভালি নেমু খেতিডৰা চিকুণাই ৰাখিব লাগে। খেতিডৰা চিকুণাই ৰখাৰ বাবে ধান খেৰ বা ক'লা পলিথিনো ব্যৱহাৰ কৰিব পাৰি।

### জলসিঞ্চন ঃ

বাৰিষাৰ পাছৰ সময়ছোৱাত বতৰ শুকান হৈ পৰাৰ সময়ত নেমু গছত পানী দিয়াৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন। পুলি ৰোৱাৰ সময়ত আৰু ডিচেম্বৰৰ পৰা মাৰ্চলৈকে পাৰিলে ১৫-২০ দিনৰ অন্তৰে অন্তৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে।

### কীট-পতংগৰ আক্ৰমণ ঃ

পাতখোৱা পোক ঃ টেঙা গছৰ নতুন পাত ওলোৱাৰ সময়ত পলুৱে ইয়াৰ কোমল কোমল পাতবোৰ খায়/ ইয়াৰ উপৰি বিছাৰ দৰে কীটেও গছৰ পাত খাই নেমু গছৰ ক্ষতিসাধন কৰে। আনহাতে চৰহা বা মোৱা পোকে নতুন পাত তথা কোঁহবিলাকত ৰস চুহি খায়। এনেধৰণৰ পোক তথা কীট নিয়ন্ত্ৰণৰ বাবে প্ৰতি লিটাৰ পানীত মন'ক্ৰট'ফছ ২.৫ গ্ৰাম অথবা ডিমেথট (ৰগৰ) ১.৫ গ্ৰাম এক লিটাৰ পানীত মিহলাই ব্যৱহাৰ কৰিলে সুফল পোৱা যায়। আনহাতে নেমুৰ গছক সহজে আক্ৰমণ কৰা এবিধ পোক হ'ল কেৰোণ। কেৰোণে গছৰ ছাল ফুটাই গা-গছত প্ৰৱেশ কৰে আৰু গছডাল ফোঁপোলা কৰি পেলায়। কেৰোণৰ নিয়ন্ত্ৰণ সম্পৰ্কে কমলা টেঙাৰ খেতিত আলোচনা কৰা হৈছে।

### ৰোগ ঃ

টুইগ ব্লাইট ঃ এই ৰোগত আক্ৰান্ত গছত সৰু সৰু ডাল বা শাখাবোৰ শুকাই যাবলৈ ধৰে। এই ৰোগ ধৰা ডাল বা শাখাবোৰ কাটি পেলাব লাগে আৰু কটা অংশটোৰ বৰডিয়াক্স পানীত সানি প্ৰলেপ দিব লাগে। ইয়াৰ উপৰি বৰডিয়াক্স ১% বা কপাৰ অক্সিক্লৰাইড প্ৰতিলিটাৰ পানীত ২.৫ গ্ৰাম হিচাপত মিহলাই ছটিয়ালে সুফল পোৱা যায়।

### নেমু ছিঙাৰ সময় ঃ

অসমৰ নেমু গছত ফুল ধৰে বছৰত দুবাৰ অৰ্থাৎ বসন্ত কালত (ফেব্ৰুৱাৰী-মাৰ্চ) আৰু হেমন্ত কালত (ছেপ্টেম্বৰ-অক্টোবৰত) নেমু পুৰঠ হোৱাৰ পাছত ইয়াক গছৰ পৰা ছিঙিব পাৰি। পুৰঠ নেমুৰ ৰং আকৰ্ষণীয় সেউজীয়া আৰু সামান্য হালধীয়া বৰণৰ হয়। সাধাৰণতে জুন-জুলাই আৰু ডিচেম্বৰ-জানুৱাৰী মাহত নেমু ছিঙিব পৰা হয়। ইয়াৰ উপৰি বছৰত আন সময়তো কম পৰিমাণে নেমু লাগে। তিনি বছৰীয়া এজোপা গছৰ পৰা ৪০-৫০টা নেমু পাব পাৰি।



উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# অসমৰ নেমু



# Assam Lemon